**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ডি আৰ ডি অ' আৰু ৰাষ্ট্ৰীয় সুৰক্ষা বিশ্ববিদ্যালয়ে প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ সুৰক্ষাৰ সহযোগিতাৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰিছে।

২। প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি অসম চৰকাৰে গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

৩। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই বাংলাদেশৰ অন্তঃৰৰ্তীকালীন চৰকাৰৰ বিৰুদ্ধে উগ্ৰবাদী মনোভাৱক অনুপ্ৰাণিত কৰা বুলি অভিযোগ উত্থাপন কৰিছে।

৪। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

আৰু

৫। ৰাষ্ট্ৰীয় মহিলা আয়োগে যুৱ গৱেষকসকলক শক্তি স্কলাৰ্ছ শীৰ্ষক জলপানি প্ৰদানৰ ব্যৱস্থা কৰিছে।

০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ' আৰু ৰাষ্ট্ৰীয় সুৰক্ষা বিশ্ববিদ্যালয়ে প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ সুৰক্ষাৰ ক্ষেত্ৰত গৱেষণা শিক্ষা, প্ৰশিক্ষণ আৰু প্ৰযুক্তিগত সহযোগিতাৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰিছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ উপস্থিতিত বিশিষ্ট বিজ্ঞানী আৰু প্ৰতিৰক্ষা উৎপাদন সমন্বয় আৰু সেৱা বিনিময় বিভাগৰ সঞ্চালক প্ৰধান ড০ চন্দ্ৰিকা কৌশিক আৰু বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড০ বিমল এন পেটেলে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে দেশৰ অমৃতকালত আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ দৃষ্টিভংগীৰে প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ সুৰক্ষাৰ সৈতে জড়িত কাৰিকৰী বিষয়ত আত্মনিৰ্ভৰশীলতা সৃষ্টিৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই চুক্তিয়ে ভাৰতৰ আভ্যন্তৰীণ সুৰক্ষাৰ দিশত কৌশলগত স্বনিৰ্ভৰশীলতা বৃদ্ধি আৰু নিৰাপত্তা সম্পৰ্কীয় প্ৰস্তুতি শক্তিশালী কৰাৰ লগতে প্ৰযুক্তি, জ্ঞান আৰু পূৰ্বপৰিকল্পনাৰ সহায়ত সংহত ব্যৱস্থা গ্ৰহণৰ দিশত প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে। এই চুক্তিৰ দ্বাৰা দুয়োটা প্ৰতিষ্ঠানে সমন্বিতভাৱে গৱেষণা প্ৰকল্প, পি এইছ ডি আৰু দেশৰ সুৰক্ষাৰ ক্ষেত্ৰৰ সামৰ্থ্য বৰ্ধনৰ দিশত বিশেষ প্ৰশিক্ষণ প্ৰদানৰ বাবে জলপানি কাৰ্যসূচী ৰূপায়ণৰ ব্যৱস্থা কৰিব। ইয়াৰ দ্বাৰা নিৰাপত্তা ক্ষেত্ৰত দেখা দিয়া নিত্যনতুন প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ বাবে অধ্যয়ন, প্ৰযুক্তি সম্পৰ্কীয় বিশ্লেষণ আৰু ভৱিষ্যতৰ প্ৰয়োজন সম্পৰ্কে পূৰ্বাভাস দিয়াত সুবিধা হ'ব।

০০০০০০০০০

প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি অসম চৰকাৰে গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে আৰু সমগ্ৰ বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

প্ৰকাশ কৰিছে। তেওঁ কয় যে বংলাদেশত হিন্দু ধৰ্মৰ লোকসকলক নিৰ্যাতনৰ বিষয়টোও গভীৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে। ইপিনে, প্ৰতিবেশী ৰাষ্ট্ৰখনত সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ বাংলাদেশ সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। কাছাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে। অঞ্চলটোত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত থাৰ্মেল কেমেৰা, নাইট ভিজন কেমেৰা আৰু চিচি টিভিৰ সহায়ত ২৪ ঘণ্টাই নিৰীক্ষণ কৰা হৈছে। একেদৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্ত অঞ্চলতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ভাৰত চৰকাৰে ইতিমধ্যে বাংলাদেশত ভাৰত বিৰোধী অপপ্ৰচাৰ  সম্পৰ্কত দেশখনৰ চৰকাৰক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই নতুন দিল্লীত প্ৰকাশ কৰা এখন বিজ্ঞপ্তিত যোৱা ২০ ডিচেম্বৰত নতুন দিল্লীত থকা বাংলাদেশৰ উচ্চায়োগৰ কাৰ্যালয়লৈ একাংশ দুস্কৃতিকাৰী বলপূৰ্বকভাৱে প্ৰৱেশৰ চেষ্টা কৰা বুলি বাংলাদেশৰ একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিক অপপ্ৰচাৰ বুলি অভিহিত কৰে।

আনহাতে, বাংলাদেশৰ চট্টগ্ৰামত থকা ভাৰতৰ সহকাৰী উচ্চায়োগৰ সমীপত শেহতীয়াকৈ হোৱা অপ্ৰীতিকৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা হৈছে। ইপিনে, শনিবাৰৰ পৰা দেশখনৰ চট্টগ্ৰামত থকা ভাৰতীয় ভিচা আবেদন কেন্দ্ৰৰ সকলো কাম-কাজ বন্ধ কৰি দিয়া হৈছে। কেন্দ্ৰটোৱে প্ৰকাশ কৰা বিবৃতি অনুসৰি পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত চট্টগ্ৰাম কেন্দ্ৰৰ পৰা সকলো ধৰণৰ ভিচাৰ সেৱা বন্ধ থাকিব আৰু সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনাৰ পাছতহে পুনৰ সেৱা আৰম্ভ কৰাৰ সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব।

ইপিনে দেশখনৰ আৰক্ষীয়ে ইনকিলাব মঞ্চৰ মুখপাত্ৰ শ্বৰীফ ওছমান হাডিৰ হত্যা কাণ্ডৰ মূল অভিযুক্ত ফেইজল কৰীম মাছুডে দেশ এৰি যোৱা সন্দৰ্ভত কোনো ধৰণৰ নিৰ্দিষ্ট তথ্য পোৱা নাই বুলি প্ৰকাশ কৰিছে। আনহাতে দেশখনৰ মানৱাধিকাৰ সংস্থা - **আইন ও চালিছ** কেন্দ্ৰই শেহতীয়াকৈ মৈমনসিঙত দিপু চন্দ্ৰ দাস নামৰ এজন লোকক বৰ্বৰভাৱে হত্যা কৰা আৰু লক্ষীপুৰৰ আক্ৰমণত এটি ৭ বছৰীয়া কন্যা শিশুৰ মৃত্যুৰ ঘটনাক কঠোৰভাৱে গৰিহণা দিছে। সংস্থাটোৱে এই ঘটনাই আইন শৃংখলাৰ পৰিস্থিতি ধবংস হোৱাকে প্ৰতিফলিত কৰে বুলি উল্লেখ কৰি প্ৰশাসনিক আৰু নিৰাপত্তাৰ সৈতে জড়িত বিফলতাৰ তদন্তৰ বাবে আহ্বান জনাইছে।

ooooooooo

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তঃৰৰ্তীকালীন চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিক ব্যৱস্থা দুৰ্বল কৰাৰ লগতে ভাৰত বিৰোধী পৰিৱেশ সৃষ্টি কৰাৰ উপৰি উগ্ৰবাদী মনোভাৱক অনুপ্ৰাণিত কৰা বুলি অভিযোগ উত্থাপন কৰিছে। এটা বাতৰিৰ প্ৰতিষ্ঠানক ই-মেইলৰ জৰিয়তে দিয়া সাক্ষাৎকাৰত শ্বেখ হাছিনাই দেশখনৰ শেহতীয়া পৰিস্থিতি ইচ্ছাকৃতভাৱে সৃষ্ট বুলি উল্লেখ কৰিছে। মহম্মদ ইউনুছে সন্ত্ৰাসবাদ অভিযুক্ত লোকক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়াৰ লগতে অস্থিৰ অৱস্থা সৃষ্টি কৰিব পৰা কিছু সংখ্যক ব্যক্তিৰ হাতত ক্ষমতা প্ৰদান কৰা বুলি অভিযোগ তুলি তেওঁ কয় যে কুটনৈতিক কৰ্মচাৰী সকলৰ নিৰাপত্তা সন্দৰ্ভত নতুন দিল্লীৰ উদ্বিগ্নতা ন্যায় সংগত। ভাৰত আৰু বাংলাদেশৰ মিত্ৰতা কেইবাদশক পুৰণি বুলি উল্লেখ কৰি শ্বেখ হাছিনাই কয় যে এই মিত্ৰতাই যিকোনো ক্ষণস্থায়ী চৰকাৰৰ পৰিধি

অতিক্ৰম কৰিব। ধৰ্ম নিৰপেক্ষ দৃষ্টিভংগী বাংলাদেশৰ ৰাজনীতিৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ বুলি তেওঁ উল্লেখ কৰে।

শিলিগুৰি কৰিডৰ সন্দৰ্ভত কিছু সংখ্যক বাংলাদেশী নেতাৰ মন্তব্য বিপদজনক আৰু দায়িত্বজ্ঞান শূন্য বুলি তেওঁ প্ৰকাশ কৰে। আঞ্চলিক স্থিৰতা, যাতায়তৰ সুবিধা তথা বাণিজ্যৰ বাবে নিৰ্ভৰ কৰিবলগীয়া চুবুৰীয়া দেশ এখন সন্দৰ্ভত কোনো দায়িত্বশীল নেতাই এনে মন্তব্য নকৰে বুলি তেওঁ উল্লেখ কৰে।

বাংলাদেশৰ সমাগত নিৰ্বাচন সন্দৰ্ভত দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ দল আৱামী লীগ অবিহনে অনুষ্ঠিত নিৰ্বাচন, এটা গণতান্ত্ৰিক অনুষ্ঠানৰ পৰিবৰ্তে একনায়কত্ত্ববাদীৰ ৰাজ্যাভিষেক স্বৰূপ হ'ব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে বাংলাদেশে সমাগত ফেব্ৰুৱাৰিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱাৰ লগতে আৱামী লীগক এই নিৰ্বাচনত প্ৰতিন্দ্বতা কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। বাংলাদেশৰ নাগৰিকসকলৰ পৰা এটাও ভোট লাভ নকৰাকৈ মহম্মদ ইউনুছে প্ৰশাসন চলোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে জনাদেশৰ জৰিয়তে ৯ বাৰকৈ চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱা দলটোক মহম্মদ ইউনুছে নিষিদ্ধ কৰিব বিচাৰিছে।

০০০০০০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি সম্পন্ন হোৱাৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ১ লাখ নিযুক্তিৰ সংখ্যা কেতিয়াবাই অতিক্ৰম কৰিছে। তেওঁ কয় যে নিয়মীয়া পদত ১ লাখ নিযুক্তি দিয়াৰ উপৰি ঠিকাভিত্তিক পদসমূহতো প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে প্ৰতিশ্ৰুতি পূৰণৰ দিশত অগ্ৰসৰ হৈয়েই চৰকাৰখনে তিনিটা বিভাগ শিক্ষা, স্বাস্থ্য আৰু আৰক্ষী বিভাগত খালী হৈ থকা পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এই অনুসৰি দৰিদ্ৰ পৰিয়ালৰ বহু যুৱক-যুৱতীয়েও সম্পূৰ্ণ মেধাৰ ভিত্তিত নিযুক্তি লাভ কৰাৰ ফলত পৰিয়ালসমূহে সকাহ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে যুৱ গৱেষকসকলক জলপানি প্ৰদানেৰে মহিলাৰ সমস্যা সম্পৰ্কীয় বিষয়ত গৱেষণাৰ বাবে শক্তি স্কলাৰ্ছ শীৰ্ষক জলপানি প্ৰদানৰ ব্যৱস্থা কৰিছে। ইয়াৰ অধীনত মহিলাৰ সুৰক্ষা আৰু মৰ্যাদা, লিংগভিত্তিক হিংসা, মহিলাৰ আইনী অধিকাৰ আৰু আইনী সুবিধাৰ লভ্যতা, চাইবাৰ সুৰক্ষা, স্বাস্থ্য আৰু পৰিপুষ্টি. অৰ্থনৈতিক সবলীকৰণ আৰু শ্ৰম কাৰ্যত তেওঁলোকৰ অংশগ্ৰহণ সন্দৰ্ভত বিভিন্ন বিষয় গৱেষণাৰ দিহা কৰা হৈছে। স্বীকৃত শিক্ষানুষ্ঠানৰ পৰা ন্যূনতম স্নাতক ডিগ্ৰীধাৰী ২১ৰ পৰা ৩০ বছৰ বয়সৰ ভিতৰৰ লোকে এই কাৰ্যসূচীৰ বাবে আবেদন কৰিব পাৰিব। বাছনি লাভ কৰা প্ৰাৰ্থীসকলে ছমহীয়া

গৱেষণাৰ বাবে ১ লাখ টকাকৈ জলপানি হিচাপে লাভ কৰিব। প্ৰাৰ্থীসকলে অহা ৩১ আগষ্টৰ ভিতৰত ইয়াৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। আজি শুনানিত ঘটনাৰ সাতগৰাকী অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হয়। ছজন অভিযুক্তৰ হৈ ধ্ৰুৱজ্যোতি দাসে আৰু অমৃতপ্ৰভা মহন্তৰ হৈ গেব্ৰিয়েল চাহু নামৰ অধিবক্তাজনে যুক্তি প্ৰদৰ্শন কৰে। আদালতে এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৩ জানুৱাৰী ধাৰ্য কৰিছে।  উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত হত্যা সম্পৰ্কীয় ধাৰা সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে যোৱা ১৬ ডিচেম্বৰত সমগ্ৰ বিষয়টো বিচাৰৰ বাবে ছেছন ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰে।

০০০০০০০০০

সমাপ্ত